**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 13-06-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::**

১। রাষ্ট্রপতি শ্রীমতী দ্রৌপদী মুৰ্মুৱে আজি ডেৰাডুনৰ ভাৰতীয় মিলিটেৰী একাডেমীৰ দীক্ষান্ত কুচকাৱাজৰ কাৰ্যসূচীত মুখ্য অতিথি হিচাপে অংশ ল'ব।

২। ওমানৰ উপকূলত আমেৰিকা যুক্তৰাষ্ট্ৰৰ নৌসেনাৰ আক্ৰমণত তিনিজন ভাৰতীয় নাগৰিকৰ মৃত্যু হোৱা ঘটনাক লৈ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে আমেৰিকাৰ বিদেশ মন্ত্ৰী মাৰ্ক' ৰুবিঅ'ৰ সৈতে মত বিনিময় কৰে।

৩। অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি জি আই টেগযুক্ত তেজপুৰৰ লিচু ছিংগাপুৰলৈ ৰপ্তানীৰ শুভাৰম্ভ কৰে।

৪। ভাৰত আৰু আফগানিস্তানৰ মাজৰ তিনিখনীয়া এদিনীয়া আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট শৃংখলা আজি আৰম্ভ হ'ব। ***আৰু***

৫। ফিফা বিশ্বকাপত যোৱা নিশা টৰণ্টো ষ্টেডিয়ামত ব'ছনিয়া—হাৰ্জেগভিনা আৰু কানাডাৰ মাজৰ খেলখন ১-১ গ'লত ড্ৰ' হয়।

০০০০০

রাষ্ট্রপতি শ্রীমতী দ্রৌপদী মুৰ্মুৱে আজি ডেৰাডুনৰ ভাৰতীয় মিলিটেৰী একাডেমীৰ দীক্ষান্ত কুচকাৱাজৰ কাৰ্যসূচীত মুখ্য অতিথি হিচাপে অংশ ল'ব। এইবাৰৰ দীক্ষান্ত কুচকাৱাজত প্ৰথমবাৰৰ বাবে মহিলা কেডেটসকলে ভাগ ল'ব। ৫০০ ৰো অধিক পুৰুষ আৰু মহিলা কেডেটে দীক্ষান্ত কুচকাৱাজত ভাগ ল'ব আৰু তেওঁলোক সেনাবাহিনীৰ বিষয়া হিচাপে নিয়োজিত হ'ব।

দুদিনীয়া ভ্ৰমণসূচীৰে ডৰাডুনলৈ যোৱা ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুক কালি উত্তৰাখণ্ডৰ ৰাজ্যপাল অৱসৰপ্ৰাপ্ত লেফটেনেণ্ট জেনেৰেল গুৰমীত সিং আৰু মুখ্যমন্ত্ৰী পুস্কৰ সিং ধামিয়ে আদৰণি জনায়। শ্ৰীমতী মুৰ্মুৱে কালি ডেৰাডুনৰ ৰাষ্ট্ৰপতি নিকেতনত ১৩২ একৰ ভূমিত নিৰ্মাণ হৈ থকা ৰাষ্ট্ৰপতি উদ্যানৰ কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়।

০০০০০

ওমানৰ উপকূলত আমেৰিকা যুক্তৰাষ্ট্ৰৰ নৌসেনাৰ আক্ৰমণত তিনিজন ভাৰতীয় নাগৰিকৰ মৃত্যু হোৱা ঘটনাক লৈ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে আমেৰিকাৰ বিদেশ মন্ত্ৰী মাৰ্ক' ৰুবিঅ'ৰ সৈতে মত বিনিময় কৰাৰ লগতে এই আক্ৰমণৰ তীব্ৰ প্ৰতিবাদ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ড০ জয়শংকৰে কয়, যে বাণিজ্যিক জাহাজৰ বিৰুদ্ধে এনেধৰণৰ প্ৰাণঘাতী আক্ৰমণ ন্যায়সংগত নহয়। ওমানৰ উপকূলত পশ্চিম প্ৰশান্ত মহাসাগৰৰ দ্বীপৰাষ্ট্ৰ পালাওৰ পতাকাযুক্ত এম টি ছেটেবেল্ল' নামৰ টেংকাৰখনত আমেৰিকাৰ আক্ৰমণত তিনিজন ভাৰতীয় নাৱিকৰ মৃত্যুৰ পাছতে ড০ জয়শংকৰে আমেৰিকাৰ বিদেশ মন্ত্ৰীগৰাকীৰ সৈতে মত বিনিময় কৰে। উল্লেখযোগ্য যে বাণিজ্যিক জাহাজখনত ২৪ জন ভাৰতীয় নাৱিক

আছিল আৰু ইয়াৰে ২১ জনক উদ্ধাৰ কৰাৰ বিপৰীতে সন্ধানহীন হৈ থকা তিনিজন নাৱিকৰ মৃত্যু হোৱা বুলি শেহতীয়াকৈ নিশ্চিত কৰা হয়। এই ঘটনাক লৈ ভাৰতে তীব্ৰ প্ৰতিবাদ কৰাৰ লগতে আমেৰিকাৰ ৰাষ্ট্ৰদূতক নতুন দিল্লীলৈ তলব কৰিছে।

০০০০০

অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত জি আই টেগযুক্ত তেজপুৰৰ লিচুৰ ছিংগাপুৰলৈ ৰপ্তানীৰ শুভাৰম্ভ কৰে। ছিংগাপুৰলৈ পিঁয়াজী প্ৰজাতিৰ ৫০০ কিলোগ্ৰাম লিচু ৰপ্তানী কৰা হৈছে। সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে তেজপুৰৰ লিচুৱে বিগত কেইবাটামান বছৰত আন্তঃৰাষ্ট্ৰীয় বজাৰত স্থান পাবলৈ সক্ষম হৈছে। তেওঁ কয়, যে কিছুদিনৰ আগতে কৃষি আৰু সংসাধিত খাদ্য-সামগ্ৰী ৰপ্তানী উন্নয়ন পৰিষদ, এপেডাৰ জৰিয়তে ডুবাইলৈ এহেজাৰ কিলোগ্ৰাম লিচু ৰপ্তানি কৰা হৈছিল। ড০ শৰ্মাই কয়, যে উপযুক্ত পৰিকল্পনা আৰু বহনক্ষম প্ৰচেষ্টাৰ জৰিয়তে অসমে লিচু, কাজি নেমু আৰু ভোট জলকীয়াকে ধৰি কেতবোৰ কৃষি সামগ্ৰী আন্তঃৰাষ্ট্ৰীয় বজাৰলৈ প্ৰেৰণ কৰিব পাৰে। তেওঁ লগতে এনে পদক্ষেপে অনাগত সময়ত কৃষকসকলক উৎসাহিত কৰাৰ উপৰি লিচুৰ খেতি বৃদ্ধি কৰিব বুলি উল্লেখ কৰে। শেহতীয়াকৈ ডুবাইলৈ লিচু ৰপ্তানীৰ পাছতে ছিংগাপুৰৰ বজাৰলৈ লিচুৰ প্ৰেৰণে অসমৰ উৎকৃষ্ট মানৰ কৃষি সামগ্ৰীৰ আন্তঃৰাষ্ট্ৰীয় চাহিদা বৃদ্ধি পোৱাকে সূচায় বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কাইলৈৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে শ্লʼভাক ৰিপ্লাবিক ভ্ৰমণলৈ যাব। আকাশবাণীৰ ব্ৰাটিছলাভাৰ সংবাদদাতাই জনোৱা মতে ভাৰতৰ প্ৰধানমন্ত্ৰীগৰাকীৰ প্ৰথমটো শ্লʼভাকিয়া ভ্ৰমণৰ পৰিপ্ৰেক্ষিতত ৰাজধানী চহৰখনত সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈছে। এই ভ্ৰমণকালত শ্ৰীমোদীয়ে শ্লʼভাক প্ৰধানমন্ত্ৰী ফিকোৰ সৈতে আলোচনাত মিলিত হʼব আৰু কৌশলগত সহযোগিতাৰ নতুন নতুন খণ্ডৰ অন্বেষণ কৰিব। প্ৰধানমন্ত্ৰী মোদীয়ে লগতে দেশখনৰ ৰাষ্ট্ৰপতি পেলেগ্ৰীনিক সাক্ষাৎ কৰিব। ভাৰত আৰু শ্লʼভাক ৰিপ্লাবিকৰ মাজৰ দ্বিপাক্ষিক বাণিজ্য নিৰন্তৰ বৃদ্ধি পোৱাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰধানমন্ত্ৰী মোদীৰ এই ভ্ৰমণে বিশেষ গুৰুত্ব বহন কৰিছে। এই ভ্ৰমণে লগতে ইউৰোপীয় সংঘৰ সদস্য ৰাষ্ট্ৰসমূহৰ সৈতে সহযোগিতা শক্তিশালী কৰাৰ বাবে ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতা পুনৰ প্ৰতিফলিত কৰিব।

০০০০০

অসামৰিক বিমান পৰিবহণ মন্ত্ৰী ৰামমোহন নাইডুৱে কয়, যে এয়াৰ ইণ্ডিয়া বিমান AI-171-ৰ দুৰ্ঘটনাৰ তদন্ত ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় নিয়ম অনুসৰি অব্যাহত আছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীনাইডুৱে বিগত বছৰৰ এই মৰ্মান্তিক বিমান দুৰ্ঘটনাত নিহতসকলৰ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে। যোৱা বছৰ আহমেদাবাদৰ চৰ্দাৰ বল্লভ ভাই পেটেল আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ পৰা উৰণৰ মাত্ৰ কেইটামান মুহূৰ্তৰ পাছতেই বিমানখন দুৰ্ঘটনাত পতিত হৈছিল। এই দুৰ্ঘটনাৰ এবছৰ সম্পূৰ্ণ হোৱা উপলক্ষে কালি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এই দুৰ্ঘটনাৰ কাৰণ নিৰ্ধাৰণ তথা বিমান পৰিবহণত নিৰাপত্তা বৃদ্ধিৰ বাবে চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি আশ্বাস দিয়ে। ইপিনে বিমান দুৰ্ঘটনা তদন্ত ব্যুৰʼই কয়, যে আহমেদাবাদাৰ পৰা লণ্ডন অভিমুখে যোৱাৰ সময়ত দুৰ্ঘটনাত পতিত হোৱা AI-171 বিমান দুৰ্ঘটনা তথ্য আধাৰিত তদন্তৰ ক্ষেত্ৰত তেওঁলোক সংস্থাটো প্ৰতিশ্ৰুতিবদ্ধ। ব্যুৰʼই ইতিমধ্যে তদন্তৰ অগ্ৰগতিৰ অন্তৰ্বৰ্তী বিবৃতি দাখিল কৰিছে আৰু

সকলো তদন্তমূলক কাৰ্য তথা প্ৰয়োজনীয় আন্তঃৰাষ্ট্ৰীয় পৰ্যালোচনা সম্পূৰ্ণ হ'লেই চূড়ান্ত প্ৰতিবেদন দাখিল কৰা হ'ব।

০০০০০

বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী ড০ কীৰ্তি বৰ্ধন সিঙে কয়, যে চাংহাই সহযোগিতা সংস্থা কেৱল এটা আঞ্চলিক গোট নহয় বৰঞ্চ ই ভাৰতক ইউৰোপ আৰু এছিয়াৰ সৈতে ঐতিহাসিক আৰু সভ্যতাৰ অংশীদাৰ হিচাপে সংযোগ কৰাৰ এটা গুৰুত্বপূৰ্ণ সংস্থা। তাজিকিস্তানত অনুষ্ঠিত চাংহাই সহযোগিতা সংস্থাৰ আন্তঃৰাষ্ট্ৰীয় সন্মিলনত ভাগ লোৱাৰ সময়ত তেওঁ কয়, যে এই সংস্থাৰ সৈতে সহযোগিতাৰে কাম কৰাৰ ক্ষেত্ৰত থকা ভাৰতৰ দৃষ্টিভংগী, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বৰ নিৰাপত্তা, যোগাযোগ আৰু সুযোগৰ পৰিকাথামোৰৰ দ্বাৰা পৰিচালিত। তেওঁ কয়,যে এই ক্ষেত্ৰত মধ্য এছিয়াই বিশেষ স্থান অধিকাৰ কৰিছে। মন্ত্ৰীগৰাকীয়ে কয়, যে চাংহাই সহযোগিতা সংস্থাৰ সভ্যতা আলোচনা মঞ্চ উদ্বোধনী সংস্কৰণ কলকাতাত অহা ১৭ জুলাইৰ পৰা ১৯ জুলাইলৈ অনুষ্ঠিত হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উদ্বোধনী ভাষণ দিব।

০০০০০

ভাৰত আৰু আফগানিস্তানৰ মাজৰ তিনিখনীয়া এদিনীয়া আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট শৃংখলা আজি আৰম্ভ হ'ব। শৃংখলাৰ প্ৰথমখন খেল হিমাচল প্ৰদেশৰ ধৰমশালাত আজি দিনৰ ডেৰ বজাত আৰম্ভ হ'ব। বিৰাট কোহলি আঘাতৰ বাবে এই শৃংখলাৰ পৰা বাদ পৰাত ভাৰতে প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাৰ সম্ভাৱনা আছে। শুভমন গীলে ভাৰতীয় দলক নেতৃত্বত দিব। শৃংখলাৰ দ্বিতীয়খন খেল অহা ১৭ জুনত লক্ষ্ণৌত আৰু তৃতীয় তথা অন্তিমখন খেল অহা ২০ জুনত চেন্নাইত অনুষ্ঠিত হ'ব।

০০০০০

ফিফা বিশ্বকাপত যোৱা নিশা টৰণ্টো ষ্টেডিয়ামত ব'ছনিয়া—হাৰ্জেগভিনাৰ বিৰুদ্ধে গ্ৰুপ বিৰ এখন খেল ১-১ গ'লত ড্ৰ' হোৱাত সহ-আয়োজক দেশ কানাডাই প্ৰথমটো পইণ্ট অৰ্জন কৰে। ব'ছনিয়াই খেলখনৰ ২১ মিনিটত প্ৰথমটো গ'ল দিয়াৰ বিপৰীতে কানাডাই ৭৮ মিনিটত প্ৰথমটো গ'ল দিয়ে। প্ৰতিযোগিতাত আজি পুৱা গ্ৰুপ-ডিৰ এখন খেলত আমেৰিকা যুক্তৰাষ্ট্ৰ পেৰাগুৱেৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে ।

০০০০০

সমাপ্ত